## জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নং ঃ ১৯৫/২০২০

ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধকল্পে কামৰূপ মহানগৰ জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

### প্ৰতি গৰাকী উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকে তিনি দিনৰ অন্তৰে অন্তৰে জিলাৰ দায়িত্বত থকা মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

### ৰমজানৰ নামাজ নিজ নিজ গৃহতে পঢ়িবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

### কৃষকৰ উৎপাদিত সামগ্ৰী যাতে নষ্ট হ'ব নোৱাৰে তাৰ বাবে উপযুক্ত বজাৰ ব্যৱস্থা গঢ়ি তুলিবলৈ কৃষি বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২১ এপ্ৰিলঃ** লক্-ডাউনৰ নীতি-নিয়ম পালন কৰা আৰু এই ক্ষেত্ৰত যিবোৰ শিথিলতা অনা হৈছে সেই ক্ষেত্ৰত সামাজিক দূৰত্ব বজাই ৰাখি তাক সঠিক ৰূপত পালন কৰাটো সুনিশ্চিত কৰাৰ বাবে প্ৰতিগৰাকী জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকে জিলাৰ দায়িত্বত থকা মন্ত্ৰীগৰাকীৰ সৈতে প্ৰতি তিনি দিনৰ অন্তৰে অন্তৰে বৈঠকত মিলিত হ'ব লাগিব। আজি কামৰূপ মহানগৰ জিলাত ক'ভিড-১৯ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলী পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে লক্-ডাউনৰ সময়ছোৱাত ৰাজ্য চৰকাৰে সমাজৰ দৰিদ্ৰ শ্ৰেণীলৈ আগবঢ়োৱা সামগ্ৰী বিতৰণত কেতবোৰ অনিয়মৰ অভিযোগ লাভ কৰিছে। এই ক্ষেত্ৰত জড়িতসকলৰ বিৰুদ্ধে ততাতৈয়াকৈ ব্যৱস্থা গ্ৰহণৰ বাবে ইতিমধ্যে উপায়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে। খাদ্য যোগানৰ প্ৰক্ৰিয়াটোত যাতে কোনেও আউল লগাব নোৱাৰে সেই ক্ষেত্ৰত চোকা দৃষ্টি ৰাখিবলৈ যোগান বিভাগক নিৰ্দেশ দিয়া হৈছে। যিসকলে অনিয়মত জড়িত হ'ব তেওঁলোকক দৃষ্টান্তমূলক শাস্তি দিয়াৰ বাবে জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰেচন কাৰ্ড নথকা পৰিয়ালসমূহৰ প্ৰতিগৰাকী ব্যক্তিলৈ ৫ কেজিকৈ চাউল দিয়াৰ কথা ইতিমধ্যে ৰাজ্য চৰকাৰে ঘোষণা কৰিছে। এই চাউল সঠিক ৰূপত বিতৰণ নহ'লে চক্ৰ বিষয়াসকল দায়বদ্ধ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই চাউল বিতৰণৰ সময়ত পঞ্চায়তৰ প্ৰতিনিধি, গাঁও বুঢ়া আৰু বিধায়কসকলক জড়িত কৰি প্ৰকৃত হিতাধিকাৰীয়ে যাতে সঠিকভাৱে চাউল লাভ কৰে তাক সুনিশ্চিত কৰিব লাগিব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে উত্তৰ-পূব ভাৰতৰ দুৱাৰমুখ হিচাপে কামৰূপ মহানগৰ জিলাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই জিলাখনে গ্ৰহণ কৰা ভূমিকাই ৰাজ্যখনৰ, উত্তৰ-পূৰ্বাঞ্চলৰ তথা ৰাষ্ট্ৰখনৰে দৃষ্টি আকৰ্ষণ কৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে জিলাখনৰ বিভিন্ন ঠাইত প্ৰশাসনে আশ্ৰয়ৰ বাবে যি ব্যৱস্থা কৰিছে আৰু তাত যি ১২৩০ গৰাকী ৰাজ্যৰ বাহিৰৰ লোক আছে তেওঁলোকে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব নালাগে তাক সুনিশ্চিত কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে লক্-ডাউনৰ সময়ত বহু নতুন দিশ জনাৰ বাবে সুযোগ লাভ কৰা গৈছে। মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগক খেতিয়কসকলৰ উৎপাদিত সামগ্ৰীসমূহৰ সঠিক জৰীপ কৰাৰ বাবেও নিৰ্দেশ দিয়ে। খেতিয়কৰ এই উৎপাদিত সামগ্ৰীসমূহ

যাতে বজাৰৰ অভাৰত নষ্ট হৈ নাযায় সেই দিশত সুনিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণৰ বাবেও বিভাগটোক নিৰ্দেশ দিয়ে। খেতিয়কসকলৰ উৎপাদিত সামগ্ৰী সংগ্ৰহ কৰা আৰু তাক বিক্ৰীৰ ব্যৱস্থা কৰাৰ বাবে সুনিৰ্দিষ্ট ব্যৱস্থা এটা অতি শীঘ্ৰে গঢ়ি তোলাৰ বাবে মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী মহানগৰীৰ প্ৰতিটো ৱাৰ্ডতে জনসচেতনতা গঢ়াৰ বাবে জিলা প্ৰশাসন আৰু পৌৰ নিগমে যথোচিত পদক্ষেপ গ্ৰহণ কৰিব লাগিব। গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানী ৰোধ কৰাৰ বাবে নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব পৰা ব্যৱস্থাটো পৰ্যালোচনা কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে যিবোৰ ক্ষেত্ৰত ৰেহাই দিয়া হৈছে সেই ক্ষেত্ৰত সামাজিক দূৰত্ব বজাই ৰখাটো সুনিশ্চিত কৰিব লাগিব।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে লক্-ডাউনৰ দ্বিতীয় পৰ্যায়ত ৰাইজৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰৰ তৰফৰ পৰা বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশাৱলীৰ ভিত্তিত ৰাজ্যৰ বিভিন্ন খণ্ডত কাম আৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ৰমজান মাহৰ সময়ছোৱাত সামাজিক দূৰত্ব বজাই ৰাখি নিজৰ ঘৰৰ ভিতৰতে নামাজ পঢ়িবলৈ ইছলাম ধৰ্মীয় লোকসকলক আহ্বান জনায়। ৰমজানৰ সময়ছোৱাত ফল-মূলৰ যাতে কোনো ধৰণৰ নাটনি নহয় তাক সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জাতি-ধৰ্ম-ভাষা-নিৰ্বিশেষে আমি সকলোৱে ঐক্যবদ্ধভাৱে কৰ'না ভাইৰাছ সংক্ৰমণ ৰোধ কৰাৰ বাবে যুঁজত নামি পৰিছোঁ।

উল্লেখযোগ্য যে কামৰূপ মহানগৰ জিলাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত এই পৰ্যন্ত ২৮,৯২৯ গৰাকী যাত্ৰীক আৰু ৰে'লৱে ষ্টেচনসমূহত ৯১,২৪৪ গৰাকী যাত্ৰীক স্বাস্থ্য পৰীক্ষা কৰা হৈছে। এই মূহুৰ্তত জিলাখনৰ ১৯৩৯ গৰাকী ব্যক্তিক নিজৰ নিজৰ ঘৰত নিৰীক্ষণত ৰখা হৈছে। ২০ এপ্ৰিল পৰ্যন্ত জিলাখনৰ ২৯,৫৭৫ টা পৰিয়ালক সাহায্য সামগ্ৰী বিতৰণ কৰা হৈছে। জিলাখনৰ ৭৩ টা বেচৰকাৰী সংস্থাই ৩১,২৩৪ গৰাকী ব্যক্তিক খাদ্য সামগ্ৰী বিতৰণ কৰিছে। এই পৰ্যন্ত জিলাখনত বেচৰকাৰী সংস্থাসমূহে ৪৭,৩৯৭ টা খাদ্যৰ টোপোলা বিতৰণ কৰাৰ লগতে দৈনিক ৩ হাজাৰ গৰাকী ব্যক্তিক ৰন্ধা খাদ্যও যোগান ধৰি আহিছে।

গুৱাহাটী পৌৰ নিগমৰ অধীনৰ ২১ টা অঞ্চলত চেনিটাইজেশ্যন কৰা হৈছে। জিলাখনৰ ৪ টা আশ্ৰয় গৃহত ৭৯ গৰাকী গৃহহীন ব্যক্তিক আশ্ৰয় প্ৰদান কৰা হৈছে। নিজামুদ্দিন মাৰ্কাজলৈ যোৱা জিলাখনৰ সমগ্ৰ ৯৩ গৰাকী ব্যক্তিকে বিচাৰি উলিয়াই স্বাস্থ্য পৰীক্ষা কৰা হৈছে। জিলাখনৰ সৰুসজাই ষ্টেডিয়াম, কালাপাহাৰ যক্ষ্মা চিকিৎসালয়, মহেন্দ্ৰমোহন চৌধুৰী হাস্পতাল আৰু মালিগাঁও ৰে'লৱে হাস্পতালত থকা কুৱাৰেনটাইন শিবিৰত ২৪৩ গৰাকী ব্যক্তিক ৰখা হৈছে আৰু ১৯ এপ্ৰিল পৰ্যন্ত ইয়াৰে ২৩ গৰাকী ব্যক্তিক ঘৰলৈ যাবলৈ দিয়া হৈছে। জিলাখনত পৰীক্ষা কৰা ক'ভিড-১৯ ৰ নমুনাসমূহৰ ৫৭২ টা নমুনাই নিগেটিভ হোৱাৰ বিপৰীতে এগৰাকী ব্যক্তি পজিটিভ পোৱা গৈছিল আৰু চিকিৎসাৰ অন্তত তেওঁ ইতিমধ্যে সুস্থ হৈ উঠিছে।

কামৰূপ মহানগৰ জিলাত ঘৰে ঘৰে শাক-পাচলি বিতৰণৰ বাবে ১০ টা সংস্থাক আৰু অনলাইনযোগে ঔষধ বিতৰণৰ বাবে তিনিটা সংস্থাক অনুমতি প্ৰদান কৰা হৈছে। জিলাখনত ৮২ গৰাকী ব্যক্তিক ভ্ৰাম্যমাণ বাহনেৰে শাক-পাচলি বিতৰণৰ কামত নিয়োজিত কৰা হৈছে। লক্-ডাউনৰ বাবে জিলাখনত আবদ্ধ হৈ পৰা ১৫৪৯ গৰাকী শ্ৰমিকক সাহায্য সামগ্ৰী প্ৰদান কৰা হৈছে। জিলাখনত পৰ্যাপ্ত পৰিমাণে চাউল, দাইল, আলু, পিয়াজ, মিঠাতেল, আটা, নিমখ আদি খাদ্য সামগ্ৰী আৰু ৰন্ধন গেছ মজুত আছে বুলি জিলা প্ৰশাসনে জানিবলৈ দিয়ে।

আনহাতে, আজি কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত গুৱাহাটী ফল-মূল ব্যৱসায়ী সন্থাৰ সৈতেও এক বৈঠকত মিলিত হয়। লক্-ডাউনৰ সময়ছোৱাত ফল-মূলৰ যাতে মূল্যবৃদ্ধি নহয়, সেই দিশত চকু ৰাখিবলৈও সন্থাক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে মহানগৰীখনত ফল-মূলৰ ব্যৱসায় সামাজিক দূৰত্ব বজাই ৰাখি যাতে আৰম্ভ কৰিব পৰা যায় সেই দিশত এক ব্যৱস্থা গঢ়ি তোলাৰ বাবে উপায়ুক্তক নিৰ্দেশ দিয়া হৈছে।

আজিৰ এই দুয়োখন বৈঠকত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, বিধায়কসকল ক্ৰমে অতুল বৰা, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিমল বৰা, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত মুন্না গুপ্তা, গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত দেৱজ্যোতি হাজৰিকা প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**২১/৪/২০২০**